# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-06-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - -

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ নৱনিৰ্মিত ইনড'ৰ ষ্টেডিয়াম উদ্বোধন কৰে। অসম চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগে নগৰীয়া আন্তঃগাঁথনি উন্নয়ন পুঁজি আঁচনিৰ অধীনত ৭ কোটি ৯৪ লাখ টকা ব্যয় সাপেক্ষে এই ষ্টেডিয়ামটো নিৰ্মাণ কৰি উলিয়াইছে। ৬খন টেবুল টেনিছ ব'ৰ্ড আৰু ৫খন বেডমিণ্টন ক'ৰ্ট সংযুক্তকৰণেৰে নিৰ্মাণ কৰা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এই ষ্টেডিয়ামৰ নৱসংযোজনে গোলাঘাট জিলা ক্ৰীড়া ক্ষেত্ৰক নতুন ৰূপ দিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী শৰ্মাই আজি গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱনিৰ্মিত ক্ৰীড়া প্ৰকল্পও মুকলি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত বিদ্যালয়খনৰ প্ৰতিষ্ঠাকালৰ সৈতে জড়িত প্ৰতিগৰাকী ব্যক্তিলৈ শ্ৰদ্ধা জনোৱাৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলক ক্ৰীড়া ক্ষেত্ৰৰ প্ৰতি আগ্ৰহী হ'বলৈ উৎসাহিত কৰে। অসমৰ থলুৱা খেলসমূহৰ সংৰক্ষণৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰি ড০ শৰ্মাই কয়, যে এই ক্ৰীড়া প্ৰকল্পৰ অংশ হিচাপে নিৰ্মাণ কৰা ক্ৰীড়া সংগ্ৰহালয়ত ৰাজ্যখনৰ প্ৰায় প্ৰতিগৰাকী বিশিষ্ট ক্ৰীড়াবিদৰ সফলতাসমূহ প্ৰদৰ্শনৰ লগতে পৰম্পৰাগত খেলসমূহৰ সংৰক্ষণৰো ব্যৱস্থা কৰা হৈছে।

মুখ্যমন্ত্ৰী শৰ্মাই আজি জিলাখনত এটা খোৱাপানী যোগান প্ৰকল্পৰ আধাৰশিলা স্থাপন কাৰ্যসূচীতো ভাগ লয়। ধনশিৰি নৈৰ পানীৰে গোলাঘাট জিলাৰ ৫৫ হাজাৰ লোকক ২৪ ঘণ্টাই খোৱাপানী যোগানৰ বাবে ১৩০ কোটি টকা ব্যয় সাপেক্ষে এই প্ৰকল্প নিৰ্মাণ কৰা হ'ব। তেওঁ লগতে ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰৰ নৱনিৰ্মিত নাটঘৰো উদ্বোধন কৰে।

ড০ শৰ্মাই ইয়াৰ পূৰ্বে পুৱাৰ ভাগত দেৰগাঁৱৰ লাচিত বৰফুকন আৰক্ষী একাডেমীৰ নৱনিৰ্মিত চৌহদত গছপুলি ৰোপণ কৰে।

ooooo

ৰাজ্যৰ অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ ভিতৰত বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পোৱাৰ বিষয়টোক লৈ ৰাজ্য চৰকাৰে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। বিদ্যালয় শিক্ষা বিভাগে ইয়াৰ কাৰণসমূহৰ বিস্তৃত অধ্যয়নৰ বাবে এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰিছে। বিদ্যালয় শিক্ষা বিভাগৰ অতিৰিক্ত সচিব কৃষ্ণা বৰুৱাৰ অধ্যক্ষতাত সমগ্ৰ শিক্ষাৰ বিশেষ কৰ্তব্যৰত বিষয়া, প্ৰাথমিক শিক্ষা সঞ্চাকালয়ৰ উপ-সঞ্চালক, ইউনিচেফ আৰু কেন্দ্ৰীয় স্কোৱাৰ ফাউণ্ডেচনৰ মুৰব্বীক লৈ এই সমিতিখন গঠন কৰা হৈছে। সমিতিখনে ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয় এৰাৰ কাৰণসমূহ অধ্যয়ন কৰি যাৱতীয় পৰামৰ্শাৱলীসহ ১৫ আগষ্টৰ ভিতৰত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত প্ৰতিবেদন দাখিল কৰিব।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ ৭৮ বছৰত ভৰি দিব। এই উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে কাইলৈ পুৱা চাৰে ৯ বজাত বিভাগটোৰ লবীত কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ আলোকচিত্ৰ স্থাপন কৰিব। প্ৰয়াত সহকৰ্মী কেইগৰাকীৰ পৰিয়ালে আগবঢ়োৱা এই আলোকচিত্ৰকেইখন কাইলৈ আনুষ্ঠানিকভাৱে অনাবৰণ কৰা হ'ব। প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ দিনৰ ১০ বজাত গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। ইয়াৰ লগতে সন্ধিয়া চাৰে ৬ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত 'ওপজা দিনৰ সুবাস' শীৰ্ষক এটা সংগীতানুষ্ঠানৰ আয়োজন কৰিছে। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিলীপ দাসৰ গীত আৰু আলাপ, ডম্বৰুধৰ পাঠক আৰু জবা দাসৰ লোকগীত, উৎপল বৰাৰ মেন্দোলিন বাদন আৰু ৰঙিয়াৰ সমন্বয়ী কলাকেন্দ্ৰৰ শিল্পীসকলৰ নৃত্যানুষ্ঠান পৰিৱেশন কৰা হ'ব। উল্লেখযোগ্য যে আকাশবাণী গুৱাহাটীয়ে ৭৭ বছৰ ইতিহাসত এইবাৰ প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ বাহিৰত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০

সদৌ অসম কাৰাটে সন্থাই এটা স্বেচ্ছাসেৱী সংস্থাৰ সহযোগত বীৰাংগনা, মূলাগাভৰুৰ জীৱনাদৰ্শ, সাহসিকতা আৰু ত্যাগক স্মৰণ কৰি মূলাগাভৰু শীৰ্ষক পাঁচদিনীয়া **কন্যা সমৰকলা প্ৰশিক্ষণ কৰ্মশালা**ৰ আয়োজন কৰিছে। আজি গুৱাহাটীৰ প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদমেলত এই বিষয়ে সদৰি কৰি আয়োজকসকলৰ হৈ প্ৰাক্তন বিধায়িকা আঙুৰলতা ডেকাই অহা ৪ জুলাইৰ পৰা এই কৰ্মশালাখন অনুষ্ঠিত হ'ব বুলি জানিবলৈ দিয়ে। প্ৰতিগৰাকী অসমীয়া যুৱতীক শক্তিশালী, নিৰ্ভিক আৰু সাহসীৰূপত গঢ়ি তোলাৰ লক্ষ্যৰে কৰ্মশালাখন আয়োজন কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰী ডেকাই কয়, যে নাৰী সৱলীকৰণ নাৰীৰ অধিকাৰ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সকলোৱে দায়বদ্ধতাৰে কাম কৰা উচিত। এই প্ৰশিক্ষণ কৰ্মশালাত ৰাজ্যৰ বিভিন্ন জিলাৰ ডেৰশতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিব বুলি আয়োজকসকলে জানিবলৈ দিছে। অংশগ্ৰহণকাৰীসকলক মৌলিক আত্মৰক্ষাৰ কৌশল, পৰিস্থিতিগত অভিযোজন ক্ষমতা, মানসিক সৱলীকৰণ ইত্যাদি ক্ষেত্ৰত প্ৰশিক্ষণ দিয়া হ'ব বুলি আজিৰ সংবাদমেলত জানিবলৈ দিয়া হয়।

০০০০০

নগাঁও জিলাৰ উন্নয়ন সমিতিৰ চলিত মাহৰ বৈঠকখন আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আয়ুক্ত দেৱাশিষ শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত হয়। জিলাখনৰ প্ৰতিটো বিভাগৰ কাম-কাজৰ খতিয়ান দৃশ্য শ্ৰাব্য মাধ্যমেৰে আয়ুক্তৰ সন্মুখত দাঙি ধৰাৰ পাছত শ্ৰী শৰ্মাই বিভিন্ন বিভাগৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। বিভিন্ন বিভাগসমূহ এখন আন্তঃজালিকাৰে পৰস্পৰৰ সৈতে জড়িত বুলি উল্লেখ কৰি আয়ুক্তগৰাকীয়ে কয়, যে সুচাৰুৰূপে কৰ্মসম্পাদন কৰিবলৈ সেয়েহে বিভাগসমূহে পৰস্পৰৰ সৈতে সমন্বয় ৰক্ষা কৰি চলিব লাগে। সভাখনত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ চিকাৰীয়া, জিলা উন্নয়ন আয়ুক্ত দেৱযানী চৌধুৰী, ৰহা সম-জিলাৰ সম-আয়ুক্তকে ধৰি বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

০০০০০

সমাপ্ত